**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৫৭৯/২০১৯**

# চতুৰ্থ বৰ্গৰ চাকৰিৰ ক্ষেত্ৰত দিব্যাংগ সকলৰ বাবে অৰ্হতা হ্ৰাস কৰিব ৰাজ্য চৰকাৰে

**দিছপুৰ, ৭ ডিচেম্বৰ ঃ** আজি দিব্যাংগ সকলৰ বিভিন্ন সংস্থাই মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাক্ষাৎ কৰি তেওঁলোকৰ বিভিন্ন দাবী সম্পৰ্কত এক আলোচনাত মিলিত হয়। জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত হোৱা এই আলোচনাৰ সময়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে দিব্যাংগ সকলৰ বাবে ৰাজ্য চৰকাৰৰ চতুৰ্থ বৰ্গৰ পদবীত মকৰলৰ চৰ্ত যেনে বাধ্যতামূলক চাকৰিৰ পূৰ্বৰ অভিজ্ঞতা, কম্পিউটাৰৰ অভিজ্ঞতা, ক্ৰীড়া ইত্যাদিৰ লেখীয়া আকাংক্ষিত অৰ্হতা হ্ৰাস কৰাৰ দিশত সংস্থা কেইটাই জনোৱা দাবী পূৰণৰ দিশত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি আস্থা প্ৰদান কৰে। আজিৰ বৈঠকত দিব্যাংগসকলৰ শাৰীৰিক অক্ষমতাৰ কথা বিবেচনা কৰি তেওঁলোকৰ বাবে এই অৰ্হতা হ্ৰাস কৰাৰ দিশত সিদ্ধান্ত লোৱা হয় যাতে সামাজিক, অৰ্থনৈতিক সমতা স্থাপনত ই সহায়ক হয়। অসম প্ৰতিবন্ধী সুৰক্ষা সংস্থা, অসম বিকলাংগ উন্নয়ন পৰিষদ, সদৌ অসম দৃষ্টিহীন যুৱ উন্নয়ন পৰিষদ, সদৌ অসম প্ৰতিৱন্ধী পুনৰ সংস্থাপন সংস্থাৰ প্ৰতিনিধি সকলে মুখ্যমন্ত্ৰীক এই ক্ষেত্ৰত কয় যে চাকৰিৰ চৰ্তাৱলী পূৰণৰ দিশত দিব্যাংগসকলে অসুবিধাৰ সন্মুখীন হয়। সেয়েহে এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ পৰা সংস্থা কেইটাৰ প্ৰতিনিধি সকলে হস্তক্ষেপ বিচাৰে। মুখ্যমন্ত্ৰীয়ে তেওঁলোকে জনোৱা দাবীৰ প্ৰতি সঁহাৰি জনাই চতুৰ্থ বৰ্গৰ কৰ্মচাৰী নিযুক্তিৰ ক্ষেত্ৰত নিৰ্দিষ্ট চৰ্তাৱলী লাঘৱ কৰাৰ দিশত প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ বাবে সমাজ কল্যাণ বিভাগক নিৰ্দেশ দিয়ে যাতে দিব্যাংগ সকলে নিযুক্তি পোৱাৰ দিশত শাৰীৰিক প্ৰতিৱন্ধকতাই অসুবিধাৰ সৃষ্টি কৰিব নোৱাৰে।

আজিৰ বৈঠকত গুৱাহাটীলৈ অহা দিব্যাংগ সকলে যাতে থকা-খোৱাৰ ক্ষেত্ৰত কোনো অসুবিধাৰ সন্মুখীন হ'ব নালাগে সেই দিশত সহায়ক হোৱাকৈ গুৱাহাটীত এটা অতিথিশালা নিৰ্মাণৰ বাবেও সিদ্ধান্ত লোৱা হয়। মুখ্যমন্ত্ৰীয়ে বৈঠকত প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ) ৰ অধীনত দিব্যাংগ সকলৰ বাবে বৰ্তমানে থকা হিতাধিকাৰীৰ তালিকাৰ পৰা অগ্ৰাধিকাৰৰ ভিত্তিত গৃহ আৱন্টনৰ ব্যৱস্থা কৰিবলৈও পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক নিৰ্দেশ দিয়ে।

দিব্যাংগ সকলৰ অনেক ক্ৰীড়া প্ৰতিভা থকাৰ কথাটো অনুধাৱন কৰি মুখ্যমন্ত্ৰীয়ে তেজপুৰত অনুষ্ঠিত হ'বলগীয়া সদৌ অসম বধিৰ ক্ৰীড়া প্ৰতিযোগিতা খনলৈ পুঁজি আৱন্টনৰ ব্যৱস্থা কৰিবলৈ সমাজ কল্যাণ বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বিভাগক ৰাজ্যখনত ইণ্ডিয়ান চাইন লেংগুৱেজ বিকশাই তোলাৰ দিশত প্ৰয়োজনীয় পদক্ষেপ লোৱাৰ ব্যৱস্থা ল'বলৈও নিৰ্দেশ দিয়ে।

বৈঠকত সমাজ কল্যাণ মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, সমাজ কল্যাণ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, সমাজ কল্যাণ বিভাগৰ সচিব হেমেন দাসৰ লগতে জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**৭/১২/২০১৯**